# REGIONAL NEWS UNIT
AKASHVANI GUWAHATI
0000000000

**Date : 01-10-2025**
**Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

:::::::::::::::::::

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ সম্প্ৰসাৰণ কৰি চাৰিলেনযুক্ত পথলৈ উন্নীত কৰাৰ প্ৰকল্পত অনুমোদন জনাইছে। মুঠ ৬ হাজাৰ ৯৫৭ কোটি টকা ব্যয়ৰে এই ৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা সম্প্ৰসাৰণ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে যোৱা এই পথছোৱা নিৰ্মাণৰ ক্ষেত্ৰত বন্যপ্ৰাণী অনুকূল ব্যৱস্থা ৰূপায়ণ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা কাৰ্বি আংলঙৰ পাৰ্বত্য অঞ্চললৈ ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি বন্যপ্ৰাণীসমূহে যাতে মুক্ত আৰু বাধাহীনভাৱে আহ-যাহ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰকল্পৰ অধীনত প্ৰায় ৩৪ দশমিক ৫ কিলোমিটাৰৰ এটা এলিভেটেড কৰিডৰ নিৰ্মাণ কৰা হ'ব।

**বাইট**

এই প্ৰকল্প ৰূপায়ণৰ ফলত ৰাজধানী মহানগৰ গুৱাহাটী, পৰ্যটনস্থলী কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ঔদ্যোগিক চহৰ নুমলীগড়ৰ মাজত প্ৰত্যক্ষ যোগাযোগ উন্নত হোৱাৰ উপৰি যাতায়াতৰ সময় হ্ৰাস পাব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ এই প্ৰকল্পক এটা যুগান্তকাৰী পদক্ষেপ বুলি উল্লেখ কৰি কয়, যে এই প্ৰকল্পই অসমৰ যোগাযোগ ব্যৱস্থাক এটা নতুন গতি প্ৰদানৰ লগতে মানুহ আৰু জীৱকুলৰ সহাৱস্থানৰ এটা নতুন দিশো মুকলি কৰিব।

০০০০০০

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ আই টিয়ে গ্ৰেপ্তাৰ কৰা শ্যামকানু মহন্ত আৰু শিল্পীজনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ চৰজমিন তদন্ত কৰিবলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দল শীঘ্ৰেই ছিংগাপুৰলৈ যাব বুলি এছ আই টিক নেতৃত্ব দিয়া শীৰ্ষ আৰক্ষী বিষয়া মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰিছে। তেওঁ কয় যে পাৰস্পৰিক আইনী সহায়তা চুক্তি অনুসৰি দলটোৱে ছিংগাপুৰত গৈ তদন্ত কৰিব। তেওঁ লগতে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ পৰা সকলো ধৰণৰ ইলেক্ট্ৰনিক সামগ্ৰী তথা অন্যান্য নথিপত্ৰ জব্দ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

ইপিনে শিল্পীগৰাকীৰ গৃহনগৰী যোৰহাটত আজি ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। যোৰহাট ষ্টেডিয়ামত আয়োজিত এই অনুষ্ঠানত সৰ্বধৰ্ম প্ৰাৰ্থনা, গায়ন-বায়ন, দিহানাম আদি পৰিৱেশনেৰে জনতাৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱা হয়। অগণন গুণমুগ্ধই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। নিখিল ভাৰতীয় কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে আজি এই ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু

শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ লৈ শিল্পীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। কৰ্ণাটকৰ কান্নাড়া সংগীতৰ ক্ষেত্ৰত জুবিন গাৰ্গৰ অৱদানৰ কথা সুঁৱৰি শ্ৰীশিৱকুমাৰে কৰ্ণাটকত বাস কৰা অসমীয়া লোকসকলে শিল্পীগৰাকীৰ স্মৃতি সংৰক্ষণৰ বাবে কৰ্ণাটক চৰকাৰক এটুকুৰা ভূমি বিচাৰি অনুৰোধ জনোৱাৰ কথা উল্লেখ কৰে।

০০০০০০

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা নৱমীত দেৱীক সিদ্ধিদাত্ৰী ৰূপত পূজা-অৰ্চনা কৰা হয়। দেৱীৰ এই ৰূপে আধ্যাত্মিক জ্ঞান আৰু মহৎ শক্তিক প্ৰতিফলিত কৰে।

জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ বিয়োগৰ পৰিপ্ৰেক্ষিতত এইবাৰ আড়ম্বৰহীনভাৱে পৰম্পৰাগত ৰীতি-নীতিৰে জনসাধাৰণে মহিষ মৰ্দিনীৰ আৰাধনা কৰিছে। ৰাজ্যৰ প্ৰতিখন পূজা মণ্ডপতে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ গান শুনিবলৈ পোৱা গৈছে। গুৱাহাটী আৰু আন আন চহৰৰ বহুতো পূজা সমিতিয়ে এইবাৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই সাংস্কৃতিক অনুষ্ঠানসমূহ বাতিল কৰিছে।

হোজাই জিলাত ৪৬০খনৰো অধিক দুৰ্গা পূজাথলীত যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত চিকাদলত বড়ো জনগোষ্ঠীয় ৰীতি-নীতিৰে দুৰ্গা পূজা উদযাপন কৰা হৈছে। জিলাখনৰ মুছলপুৰৰ দুৰ্গা মন্দিৰত আজি ওজাপালিৰে দেৱী বন্দনা কৰাৰ পাছত আয়তীসকলে নাম-প্ৰসঙ্গ কৰে। শ্ৰীভূমি জিলাৰ পাথাৰকান্দি, নিলামবজাৰ, আছিমগঞ্জ, ভাঙ্গা, বদৰপুৰ আদি পূজা মণ্ডপত আজি মহানৱমীত যথেষ্ট ভক্তৰ ভিৰ পৰিলক্ষিত হয় বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত নিপকোৰ দৈয়াং নদীৰ বান্ধৰ পানীৰ স্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বান্ধটোৰ চাৰিখনকৈ গে'ট খুলি দিয়া হৈছে বুলি নীপকোৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। কৰ্তৃপক্ষই লগতে অতিৰিক্ত পানী দৈয়াং নদীৰ জৰিয়তে ধনশিৰি নদীলৈ প্ৰবাহিত কৰা হ'ব বুলি জানিবলৈ দিছে। গোলাঘাট জিলা প্ৰশাসনে জিলাখনৰ জনসাধাৰণক বিশেষকৈ নদীপৰীয়া গাঁৱৰ লোকসকলক নদীত গা ধোৱা, মাছ ধৰা আৰু নদীৰ পাৰত খেলাধূলা আদি কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। বিশেষকৈ কাইলৈ বিজয়া দশমীৰ কাৰ্যসূচীৰ সময়ত এই ক্ষেত্ৰত সকলোকে বিশেষ সতৰ্কতা অৱলম্বন কৰিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে। জিলা প্ৰশাসনে জৰুৰীকালীন সেৱাৰ লগতে সকলো বিষয়া-কৰ্মচাৰীকে এই ক্ষেত্ৰত সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিছে।

০০০০০০

সমাপ্ত